# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-05-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। শেহতীয়াকৈ ভাৰতে পাকিস্তান তথা পাক অধিকৃত জম্মু-কাশ্মীৰ ৯টা সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা আক্ৰমণত ১০০ জনৰো অধিক সন্ত্ৰাসবাদী নিহত হৈছে বুলি ভাৰতৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধান লেফটেনেণ্ট জেনেৰেল ৰাজীৱ ঘাইয়ে মন্তব্য কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰ কালি ইজিপ্তৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ সৈতে টেলিফোন যোগে আলোচনাত মিলিত হয়।

৩। সমগ্ৰ বিশ্বতে আজি বুদ্ধ পূৰ্ণিমা উদযাপন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আটাইলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। আধুনিক ধাত্ৰী বিদ্যাৰ প্ৰতিষ্ঠাপক ফ্লৰেন্স নাইটিংগেলৰ জন্মবাৰ্ষিকী উপলক্ষে সমগ্ৰ বিশ্বত আন্তঃৰাষ্ট্ৰীয় নাৰ্চ দিৱস পালন কৰা হৈছে।

*আৰু*

৫। ভাৰতৰ মহিলা ক্ৰিকেট দলে কলম্বোত অনুষ্ঠিত ত্ৰিদেশীয় একদিনীয়া শৃংখলাত শ্ৰীলংকাক পৰাস্ত কৰি খিতাপ হস্তগত কৰিছে।

ooooo

শেহতীয়াকৈ ভাৰতে পাকিস্তান তথা পাক অধিকৃত জম্মু-কাশ্মীৰ ৯টা সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা আক্ৰমণত ১০০ জনৰো অধিক সন্ত্ৰাসবাদী নিহত হৈছে আৰু এই আক্ৰমণত নিহতৰ তালিকাত ইউছুফ আজাহাৰ, আব্দুল মালিক ৰৌফ আৰু মুদাচ্ছিৰ আহমেদৰ দৰে দুৰ্ধৰ্ষ সন্ত্ৰাসবাদীও আছে। ভাৰতৰ সামৰিক অভিযানৰ সঞ্চালক প্ৰধান লেফটেনেণ্ট জেনেৰেল ৰাজীৱ ঘাইয়ে কালি অপাৰেচন সিন্দূৰ সন্দৰ্ভত নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। তেওঁ মন্তব্য কৰে যে সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদীৰ আন্তঃগাঁথনিক ধ্বংস কৰাৰ উদ্দেশে ভাৰতে অপাৰেচন সিন্দূৰ আৰম্ভ কৰিছিল আৰু এই অভিযানৰ জৰিয়তে সীমান্তৰ সিপাৰত থকা সন্ত্ৰাসবাদী ঘাটিসমূহৰ মানচিত্ৰ চিহ্নিত কৰাৰ লগতে সন্ত্ৰাসবাদী শিবিৰসমূহো চিনাক্ত কৰা হয়। ভাৰতে অসামৰিক লোকক এই অভিযানত লক্ষ্য কৰি লোৱা নাছিল যদিও পাকিস্তানে বিমানযাত্ৰী অসামৰিক লোকক ঢাল হিচাপে ব্যৱহাৰ কৰা বুলি তেওঁ অভিযোগ কৰে। লগতে ভাৰতে পাকিস্তানৰ কোনো সামৰিক ঘাটিক লক্ষ্য নকৰিলেও ভাৰতীয় সেনাৰ ছাউনী ধ্বংস কৰা পাকিস্তানৰ লক্ষ্য আছিল বুলি লেফটেনেণ্ট জেনেৰেলগৰাকীয়ে প্ৰকাশ কৰে।

oooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে ইজিপ্তৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী বদৰ আব্দেলাটিৰ সৈতে টেলিফোনযোগে আলোচনাত মিলিত হয়। সামাজিক মাধ্যমযোগে ড° জয়শংকৰে প্ৰকাশ কৰিছে যে, তেওঁ শেহতীয়া পৰিস্থিতিৰ বিষয়ে অৱগত কৰাৰ লগতে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। দুয়োগৰাকী নেতাই ভাৰত আৰু ইজিপ্তৰ মাজত অৰ্থনৈতিক সহযোগিতাৰ সম্ভাৱনা সন্দৰ্ভতো আলোচনা কৰে।

০০০০০

সমগ্ৰ বিশ্বতে আজি বুদ্ধ পূৰ্ণিমা উদযাপন কৰা হৈছে। গৌতম বুদ্ধৰ জন্মৰ দিনটোৰ লগতে বুদ্ধগয়াত মহাবোধি বৃক্ষৰ তলত তেওঁ নিৰ্বাণ লাভ কৰা দিন উপলক্ষেও আজিৰ উপলক্ষটো পালন কৰা হয়।

সমগ্ৰ বিশ্বৰ বৌদ্ধ আৰু হিন্দু ধৰ্মাৱলম্বী লোকসকলে এই দিনটো উদযাপন কৰাৰ লগতে ভাৰত, নেপাল, ভূটান, বাৰ্মা, থাইলেণ্ড, তিব্বত, কোৰিয়া, লাওছ, ভিয়েটনাম, মংগোলিয়া, কম্বোডিয়া, ছিংগাপুৰ, ইণ্ডোনেছিয়া আৰু শ্ৰীলংকাৰ দৰে দেশসমূহত মহা আড়ম্বৰেৰে এই দিৱস উদযাপন কৰা হয় ।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গৌতম বুদ্ধৰসমূহ অনুগামীলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জ্ঞাপন কৰিছে। ভগৱান বুদ্ধই দিয়া অহিংসা, প্ৰেম আৰু দয়াৰ অমৰ বাৰ্তাই মানৱ জাতিৰ কল্যাণৰ মূল মন্ত্ৰ বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাত উল্লেখ কৰে। বুদ্ধৰ আদৰ্শই সমতা, সম্প্ৰীতি আৰু সামাজিক ন্যায়ৰ চিৰন্তন মূল্যবোধৰ প্ৰতি আমাৰ বিশ্বাসক শক্তিশালী কৰে বুলিও তেওঁ মন্তব্য কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে, ভগৱান বুদ্ধৰ শিক্ষাই মানুহক নৈতিকতাক ভিত্তি কৰি জীৱন যাপন কৰিবলৈ অনুপ্ৰাণিত কৰে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখৰেও আটাইলৈ বুদ্ধ পূৰ্ণিমাৰ শুভেচ্ছা জনাইছে । ভগৱান বুদ্ধৰ অহিংসা তথা দয়াৰ বাৰ্তা আজিৰ সময়ত সমাজ তথা মানৱতাৰ বাবে পূৰ্বতকৈ অধিক প্ৰাসংগিক বুলি তেওঁ মত প্ৰকাশ কৰে। গৌতম বুদ্ধৰ শিক্ষাই মানুহক এখন অধিক শান্তিপূৰ্ণ, দয়াৱান আৰু সম্প্ৰীতিৰ সমাজ গঢ়ি তোলাৰ দিশত অনুপ্ৰাণিত কৰে বুলিও শ্ৰীধনখৰে বাৰ্তাত উল্লেখ কৰে।

০০০০০

কংগ্ৰেছৰ সাংসদ তথা বিৰোধী দলপতি ৰাহুল গান্ধীয়ে শীঘ্ৰে সংসদৰ বিশেষ অধিৱেশন অনুষ্ঠিত কৰিবলৈ দাবী জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ লিখা পত্ৰত ৰাহুল গান্ধীয়ে পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণ, অপাৰেচন সিন্দূৰ আৰু যুদ্ধবিৰতিক লৈ তৎকালীনভাৱে সংসদৰ বিশেষ অধিৱেশন আহ্বান কৰাৰ অনুৰোধৰ প্ৰসংগত জোৰ দিয়ে। এই সন্দৰ্ভত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ো প্ৰধানমন্ত্ৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰে।

০০০০০

আধুনিক ধাত্ৰী বিদ্যাৰ প্ৰতিষ্ঠাপক ফ্ৰেষ্ট নাইটিংগেলৰ জন্মবাৰ্ষিকী উপলক্ষে সমগ্ৰ বিশ্বত আন্তঃৰাষ্ট্ৰীয় নাৰ্চ দিৱস পালন কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় পৰিষদ আই চি এনে প্ৰতিবছৰে এই গুৰুত্বপূৰ্ণ দিনটোত উদযাপন কৰে। এই বছৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- আমাৰ নাৰ্চ, আমাৰ ভৱিষ্যৎ, নাৰ্চসকলৰ যত্ন লোৱাতেই অৰ্থনীতি শক্তিশালী

কৰে। আই চি এনৰ সভাপতি পামেলা চিপ্রিয়ানোৱে তেওঁৰ এটা বাৰ্তাত কয়, যে নাৰ্চসকলে দৈনন্দিন এনে যত্ন গ্ৰহণ কৰে, যিয়ে জীৱন ৰক্ষা কৰে, ৰোগীসকলক তেওঁলোকৰ অতি জটিল মুহূৰ্তত কাষত থিয় দিযে আৰু স্বাস্থ্য ব্যৱস্থাক ৰূপান্তৰিত কৰে। বিশ্ব স্বাস্থ্য সংস্থায়ো নাৰ্চসকলক বিশ্বজুৰি স্বাস্থ্য ব্যৱস্থাৰ হৃদপিণ্ড বুলি অভিহিত কৰি শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

তেহৰানৰ পাৰমাণৱিক কাৰ্যসূচীক লৈ আমেৰিকা আৰু ইৰানৰ মাজত চতুৰ্থলানি আলোচনা কালি ওমানৰ ৰাজধানী মাছকাটত অন্ত পৰে আৰু দুয়ো পক্ষই পুনৰ বৈঠকত মিলিত হ'বলৈ সন্মত হয়। মধ্যপ্ৰাচ্যস্থিত মাৰ্কিন ৰাষ্ট্ৰদূত ষ্টীভ উইথ কফে মাছকাটত হোৱা আলোচনাত উৎসাহজনক বুলি অভিহিত কৰাৰ বিপৰীতে ইয়েনৰ বিদেশ মন্ত্ৰী আববাছ আৰাঘছিয়ে ইয়াক কঠিন কিন্তু উপযোগী বুলি অভিহিত কৰে। ইৰানে পাৰমাণিক অস্ত্ৰ নিৰ্মাণ নকৰিবলৈ ইউৰেনিয়াম সমৃদ্ধি বাতিল কৰিব লাগিব বুলি আমেৰিকাই জোৰ দিছে যদিও দেশখনে তেনে কোনো লক্ষ্য নাই বুলি উল্লেখ কৰি তেওঁলোকে এই কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি প্ৰকাশ কৰে। ২০১৮ চনত ইৰাণ আৰু আন ৫ খন বিশ্বশক্তিৰ মাজত হোৱা পূৰ্বৰ পাৰমাণৱিক চুক্তিৰ পৰা মাৰ্কিন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প আঁতৰি আহিছে। ইয়াৰ পূৰ্বে দুলানি আলোচনাৰ এটা মাছকাটকত আৰু এটা ৰোমত থকা ওমানৰ দূতাবাসত হৈছিল। এগৰাকী জ্যেষ্ঠ মাৰ্কিন বিষয়াই কয়, যে শেহতীয়া আলোচনা ৩ ঘণ্টাৰো অধিক সময় ধৰি চলে।

ooooo

ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ NDMA জনসাধাৰণলৈ এক পৰামৰ্শ যোগে কোনো অজ্ঞাত বিস্ফোৰক সামগ্ৰী স্পৰ্শ নকৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত NDMAই কয়, যে এই বিস্ফোৰক সামগ্ৰীসমূহ বিপদজনক হ'ব পাৰে আৰু মানুহৰ গভীৰ আঘাত আৰু মৃত্যু পৰ্যন্ত হ'ব পাৰে। সংস্থাটোৱে কয়, যে যদি কোনো লোকে কোনো অজ্ঞাত সামগ্ৰী উদ্ধাৰ কৰে, তেন্তে স্থানীয় কৰ্তৃপক্ষক তৎক্ষণাত অৱগত কৰিব লাগে।

ooooo

বিদেশস্থিত বাববৰ খালছা সন্ত্ৰাসবাদীৰ সৈতে আৰু কুখ্যাত অপৰাধী হৰবিন্দৰ সিং সান্ধুৰ সৈতে জড়িত আৰু ২০১৬ চনত নাভা কাৰাগাৰ বিৰতীৰ সময়ত পলায়ন কৰা এজন খালিস্তানী গুপ্তচৰক ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা নিয়াই গ্ৰেপ্তাৰ কৰিছে। নিয়াই এটা বিবৃতিত কয়, যে খালিস্তানী সন্ত্ৰাস ষড়যন্ত্ৰৰ এটা গোচৰৰ সম্পৰ্কত বিহাৰৰ মতিহাৰীৰ পৰা কাশ্মীৰ সিং গালবাদীক নিয়াৰ গ্ৰেপ্তাৰ কৰাৰ পাছত এই সফলতা অৰ্জন কৰে। নিয়াই লগতে কয়, যে নাভা কাৰাগাৰৰ পৰা পলায়ন কৰাৰ পিছৰে পৰা কাশ্মীৰ সিঙে ৰিন্দাৰ লগতে ঘোষিত খালিস্তানী সন্ত্ৰাসবাদীবোৰৰ সৈতে সক্ৰিয় হৈ জড়িত হৈ আছিল। সংস্থাটোৱে জনোৱা মতে, কাশ্মীৰ সিং নিয়াৰ গোচৰটোত ঘোষিত অপৰাধী আছিল। ষড়যন্ত্ৰত জড়িত হোৱা খালিস্তানী সন্ত্ৰাসবাদীৰ সহায়কসকলক আশ্ৰয় আৰু সন্ত্ৰাসবাদী পুঁজি প্ৰদানৰ সৈতে অপৰাধীজন জড়িত হৈ আছিল।

ooooo

ভাৰতৰ মহিলা ক্ৰিকেট দলে কালি শ্ৰীলংকাক পৰাস্ত কৰি ত্ৰিদেশীয় এদিনীয়া ক্ৰিকেট শৃংখলা হস্তগত কৰিবলৈ সমৰ্থ হয়। কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত অনুষ্ঠিত চূড়ান্ত খেলখনত ভাৰত কালি ৯৭ ৰানত জয়ী হয়।

প্ৰথমে বেটিং কৰিবলৈ সিদ্ধান্ত লোৱা ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটত ৩৪২ ৰান সংগ্ৰহ কৰে। স্মৃতি মান্ধানাই সৰ্বাধিক ১১৬ ৰান কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ৪৮ অ'ভাৰ আৰু ২টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৫ ৰানতে থমকি ৰয়। ভাৰতৰ স্পিনাৰ স্নেহ ৰাণাই ৪টা আৰু অমনজ্যোৎ কৌৰে ৩টা উইকেট লাভ কৰে। স্মৃতি মান্ধানাক ফাইনেলৰ শ্ৰেষ্ঠ আৰু স্নেহ ৰাণাক শৃংখলাৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বাছনি কৰা হয়।

মহিলাৰ এদিনীয়া বিশ্বকাপলৈ মাত্ৰ পাঁচ মাহ বাকী থকাৰ সময়ত এই শৃংখলা জয়ে ভাৰতৰ দলটোৰ আত্মবিশ্বাস যথেষ্ট বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

ooooo

চীনৰ ছাংহাইত অনুষ্ঠিত আৰ্চাৰী বিশ্বকাপৰ দ্বিতীয় পৰ্যায়ত ভাৰতে ২টা স্বৰ্ণ, এটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদককে ধৰি ৭টা পদকেৰে নিজৰ অভিযান সামৰিছে। ভাৰতৰ পাৰ্থ সুশান্ত ছালুংখেই পুৰুষৰ একক ৰিকাৰ্ভ শিতানত আৰু দীপিকা কুমাৰীয়ে মহিলাৰ একক ৰিকাৰ্ভ শিতানত ব্ৰঞ্জৰ পদক লাভ কৰে। প্লে অফত পাৰ্থ ছালুংখেই ফ্ৰান্সৰ অলিম্পিক পদক বিজয়ী বেপ্টিষ্ট এডিছক ৬-৪ৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে দীপিকা কুমাৰী কোৰিয়াৰ কাং চাই-ইয়ঙৰ বিৰুদ্ধে ৭-৩ ব্যৱধানত জয়ী হয়।

মহিলাৰ একক কম্পাউণ্ড শাখাত মধুৰা ধমনগাঁওকাৰে তথা অভিষেক বাৰ্মা, ঋষভ যাদৱ আৰু ওজাছ দেওতালেই পুৰুষৰ দলীয় কম্পাউণ্ড শাখাত স্বৰ্ণপদক দখল কৰে। জ্যোতি সুৰেখা ভেন্নাম, চিকিতা তানিপাৰ্থী আৰু মধুৰা ধামাগাওকাৰেৰে গঠিত মহিলা দলটোৱে কম্পাউণ্ড শাখাৰ ৰূপৰ পদক দখল কৰিবলৈ সমৰ্থ হয়। মধুৰা আৰু অভিষেকে কম্পাউণ্ড মিক্সড দলীয় শাখাতো ব্ৰঞ্জৰ পদক লাভ কৰে। পুৰুষৰ একক কম্পাউণ্ড ইভেণ্টত ভাৰতৰ হৈ ব্ৰঞ্জৰ আনটো পদক ঋষভে জয় কৰিবলৈ সমৰ্থ হয়।
অহা ৩ৰ পৰা ৮ জুনলৈ আন্টালিয়াত বিশ্বকাপৰ তৃতীয় পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হ’ব।

ooooo

**সমাপ্ত**